$$\text{বা বাণিজ্য হাৰ} = \frac{\text{আমদানিৰ দৰ} \times \text{আমদানিৰ পৰিমান}}{\text{ৰপ্তানিৰ দৰ} \times \text{ৰপ্তানিৰ পৰিমান}}$$

**২.২.১. বাণিজ্য হাৰৰ বিভিন্ন ধাৰণাসমূহ** (Different Concepts of terms of trade) : বাণিজ্য হাৰৰ বহুকেইটা ধাৰণা আছে। অৰ্থনীতিবিদ G.M.Myer ৰে বাণিজ্য হাৰৰ ধাৰণা সমূহক মুঠতে তিনিটা ভাগত ভাগ কৰিছে।

১। আন্তৰ্জাতিক বাণিজ্যত সামগ্ৰী যি বিলাক বিনিময় হাৰৰ জৰিয়তে আমদানি ৰপ্তানি কৰা হয় সেই সমূহ বাণিজ্য হাৰ হ'ল-

ক) নিগুটি বা শুদ্ধ পণ্য বিনিময় বাণিজ্যৰ হাৰ (Net barter terms of trade)

খ) মুঠ পণ্য বিনিময় বাণিজ্যৰ চৰ্ত (Gross barter terms of trade)

গ) আয় বা উপাৰ্জন বাণিজ্যৰ চৰ্ত (Income terms of trade)

২। আন্তৰ্জাতিক বাণিজ্যত ৰপ্তানিকৃত দ্ৰব্য উৎপাদন কৰোতে ব্যৱহাৰ কৰা উপাদানৰ উৎপাদনশীলতাৰ পৰিবৰ্তন উল্লেখ কৰিবলৈ যিবিলাক বাণিজ্য হাৰ ব্যৱহাৰ কৰা হয় সেই সমূহ হ'ল -

ক) একক উপাদানৰ বাণিজ্য হাৰ (Single factorial terms of trade)

খ) দুই তৰপীয়া উপাদান যুক্ত বাণিজ্যৰ হাৰ (Double factorial terms of trade)

৩। প্ৰতিযোগিতা বিশ্লেষণৰ ওপৰত ভিত্তি কৰি বাণিজ্যৰ পৰা লোৱা লাভক প্ৰকাশ কৰা বাণিজ্য চৰ্তসমূহ হ'ল -

ক) প্ৰকৃত ব্যয়ৰ বাণিজ্য চৰ্ত (Real Cost terms of trade)

খ) উপযোগিতা বাণিজ্যৰ হাৰ (Utility terms of trade)

তলত বিভিন্ন প্ৰকাৰৰ বাণিজ্য হাৰৰ বিষয়ে আলোচনা কৰা হ'ল —

১।(ক) **নিগুটি পণ্য বিনিময় বাণিজ্যৰ হাৰ** (Net Barter terms of trade) : পূৰ্বৰ সময়ৰ তুলনাত বৰ্তমানৰ ৰপ্তানি আৰু আমদানি দ্ৰব্যৰ মাজৰ

অনুপাতকে নিগুট পণ্য বিনিময় বাণিজ্য হাৰ বোলা হয়। তলত উল্লেখ কৰা সমীকৰণটোৰ যোগেদি দুখন দেশৰ মাজৰ আন্তৰ্জাতিক বাণিজ্যৰ ক্ষেত্ৰত নিগুট পণ্যবিনিময় বাণিজ্য হাৰক ব্যাখ্যা কৰিব পাৰি।

$$\text{নিগুট পণ্য বিনিময় বাণিজ্য হাৰ} = \frac{Px_1}{Pm_1} : \frac{Px_0}{Pm_0}$$

ইয়াত $Px_1$ যে তুলনা কৰা সময়ত ৰপ্তানিৰ মূল্য বুজাইছে।

$Pm_1$ যে তুলনা কৰা সময়ত আমদানিৰ মূল্য বুজাইছে।

$Px_0$ যে ভিত্তি বছৰত ৰপ্তানিৰ মূল্যৰ বুজাইছে।

$Pm_0$ যে ভিত্তি বছৰত আমদানিৰ মূল্যক বুজাইছে।

আমদানি আৰু ৰপ্তানিৰ মূল্য সূচক সংখ্যা ধৰিলৈ ওপৰৰ সমীকৰণটোক সহজ ৰূপত তলৰ সমীকৰণৰ ৰূপত পাব পৰা যায়।

$$\text{নিগুট পণ্য বিনিময় বাণিজ্য হাৰ } (NBTT) = \frac{Px}{Pm}$$

য'ত Px ৰপ্তানিৰ সূচক সংখ্যা বা ৰপ্তানিৰ মূল্য।

Px আমদানিৰ সূচক সংখ্যা বা আমদানিৰ মূল ওপৰৰ সমীকৰণটোৰ পৰা আমি নিগুট পণ্য বিনিময় বাণিজ্য হাৰৰ সংজ্ঞা এনেদৰে দিব পাৰো- "দেশ এখনৰ ৰপ্তানি সূচক মূল্যৰ লগত আমদানি সূচক মূল্যৰ যি অনুপাত তাকেই নিগুট পণ্য বিনিময় বাণিজ্য চৰ্ত বা হাৰ বুলিব পাৰি।

Example : 2004 চনত আমদানি আৰু ৰপ্তানিৰ সূচক সংখ্যা ক্ৰমে 160 আৰু 200। এনে অৱস্থাত 2000 চনক ভিত্তি বছৰ হিচাবে লৈ নিগুট পণ্য বিনিময় হাৰ নিৰ্দ্ধাৰণ কৰা।

Answer :

আমি জানো নিগুট পণ্য বিনিময় হাৰ

$$NBTT = \frac{Px_1}{Pm_1} : \frac{Px_0}{Pm_0}$$

$$= \frac{Px_1}{Px_0} \div \frac{Pm_1}{Pm_0} \times 100$$

যিহেতু, $Px_0$ ভিত্তি বছৰৰ ৰপ্তানি = 100

$Pm_0$ ভিত্তি বছৰৰ আমদানি = 100

$$= \frac{200}{100} \div \frac{160}{100} \times 100$$

$$= \frac{200}{100} \times 100$$

$$= 1.25 \times 100 = 125$$

অৰ্থাৎ নিগুট পণ্য বিনিময় বাণিজ্য হাৰ (125-100) = 25 শতাংশ ভিত্তি বছৰৰ তুলনাত চলিত বছৰত উন্নতি হৈছে।

Example 2 ঃ 2000 চনত আমদানি আৰু ৰপ্তানিৰ সূচাংক 100 বুলি ধৰিলে 2004 চনত আমদানি আৰু ৰপ্তানিৰ সূচাংক ক্ৰমে 170 আৰু 140 হয়। তেতিয়া নিগুট পণ্য বিনিময় হাৰ নিৰ্ধাৰণ কৰা।

Answerঃ আমি জানো

$$\text{NBTT} = \frac{Px_1 / Px_0}{Pm_1 / Pm_0} \cdot 100$$

$$= \frac{140/100}{170/100} \cdot 100$$

$$= \frac{Px_1 / Px_0}{Pm_1 / Pm_0} \cdot 100$$

$$= \frac{140/100}{170/100} \cdot 100$$

$$= 82.3$$

অৰ্থাৎ 2000 চনৰ তুলনাত 2004 চনত দেশখনৰ নিগুট পণ্য বিনিময় বাণিজ্য হাৰ (82.3-100)= 17.7 শতাংশ ঘটিছে।

অৰ্থনীতিবিদ সকলে বিশ্বাস কৰে যে নিগুট পণ্য বিনিময় বাণিজ্য হাৰৰ উন্নতি হলে কোনো এখন দেশৰ উৎপাদিত সামগ্ৰী আপেক্ষিকভাবে উচ্চ ৰপ্তানিদৰত বিদেশক বিক্ৰি কৰিব পাৰিলে ৰপ্তানিৰ মূল্য বৃদ্ধি পাব। এনে সময়ত যদি বিদেশৰ পৰা আমদানিকৃত সামগ্ৰী আপেক্ষিক ভাৱে কম দৰত ক্ৰয় কৰিব পৰা যায় তেনেহলে জাতীয় কল্যাণ বৃদ্ধি হ'ব বুলি ক'ব পৰা যায়। অৰ্থাৎ নিগুত পণ্য বিনিময় বাণিজ্য হাৰ সৰ্বাধিক হলে কল্যাণ সৰ্বোচ্চ হ'ব। কিন্তু ই

প্ৰকৃততে সত্য নহয়। ইয়াৰ কাৰণ কেতিয়াবা কেতিয়াবা ৰপ্তানি কাৰ্য্য স্থিতিস্থাপক হয়। এনে অৱস্থাত ৰপ্তানিকৃত সামগ্ৰীৰ দাম বাঢ়িলে ৰপ্তানিৰ পৰিমাণ হ্ৰাস পাব আৰু ৰপ্তানি আয় কমিব। পুনৰ কেতিয়াবা কেতিয়াবা আমদানি দৰ বাঢ়িলেও আমদানিৰ পৰিমাণ নকমিব পাৰে। এনে অৱস্থাত আমদানি ব্যয় বেছি হৈয়ে ৰ'ব। এনে হ'লে নিগুটি পণ্য বিনিময় বাণিজ্য হাৰ অনুকুল হলেও দেশখনৰ ৰপ্তানি আয়তকৈ আমদানি ব্যয় বেছি হৈ দেশৰ কল্যাণ হ্ৰাস পাব। সেয়েহে অৰ্থনীতিবিদ G.V.Haberler ৰ মত পোষণ কৰে যে এখন দেশৰ বাণিজ্য হাৰ সৰ্বাধিক কৰাতকৈ লক্ষ্য ৰাখিব লাগে যাতে ৰপ্তানি আয় সৰ্বাধিক হয় আৰু আমদানি ব্যয় বহনযোগ্য হয়।

**২.২.২ নিগুট পণ্য বিনিময় বাণিজ্যহাৰৰ সমালোচনা** (Criticism)ঃ সাধাৰণতে নিগুট পণ্য বিনিময় বাণিজ্য হাৰ দেশ এখনৰ হ্ৰস্বকালীন বাণিজ্যৰ স্থান পৰিবৰ্তনৰ জোখ ল'বৰ বাবে ব্যাপকভাৱে উপকাৰী বুলি গ্ৰহণ কৰা হয় তথাপি এই প্ৰকাৰ বাণিজ্য হাৰতো সীমবদ্ধতা নথকা নহয়। তলত ইয়াৰ সীমবদ্ধতা কেইটামান আলোচনা কৰা হ'ল।

(1) **সূচক সংখ্যা গঠন কৰাৰ সমস্যা** (Problems in the construction of index number)ঃ নিগুট পণ্য বিনিময় বাণিজ্যৰ হাৰ ধাৰণাটোৰ লগত সূচক সংখ্যা ধাৰণাটো জড়িত। ৰপ্তানি দৰ আৰু আমদানি দৰ সূচক সংখ্যা নিৰ্ধাৰণ কৰোতে বহুতো সমস্যাৰ সন্মুখীন হ'ব লগা হয়। উদাহৰণ স্বৰূপে সামগ্ৰীৰ পচণ্ড, দ্ৰব্যৰ উপযুক্ত দৰৰ তালিকা, ভিত্তি বছৰ বাছনি, উপযুক্ত দৰ বাছনি, উপযুক্ত সূত্ৰ নিৰ্বাচন আদি যথেষ্ট অসুবিধাজনক।

(2) **উৎপাদন পৰিবৰ্তন** (Change in Production)ঃ নিগুট পণ্য বিনিময় বাণিজ্য হাৰ দেশ এখনৰ ৰপ্তানিকৃত দ্ৰব্যৰ দৰ সূচাংক আৰু আমদানিকৃত দ্ৰব্যৰ দৰ সুচাংকৰ ওপৰত নিৰ্ভৰ কৰে। পুনৰ দৰ সূচক সংখ্যা চলিত বছৰ আৰু ভিত্তি বছৰৰ মাজৰ আপেক্ষিক দৰৰ ভিত্তিত নিৰ্দ্ধাৰণ কৰা হয়। গতিকে এনে সময়ত যদি দেশ দুখনত উৎপাদনৰ পৰিবৰ্তন ঘটে তেনেহলে এনে উৎপাদন পৰিবৰ্তনক গণ্য কৰা নহয় বাবে বহুতো অৰ্থনীতিবিদে নিগুট পণ্য বিনিময় বাণিজ্য হাৰক কল্যাণ জোখৰ সঠিক মাপ বুলি গণ্য কৰিব নোখোজে।

(3) **সময় সীমা** (Period of Time)ঃ নিগুট পণ্য বিনিময় বাণিজ্য হাৰ

ৰপ্তানি আৰু আমদানিৰ মূল্য সূচাংকৰ ওপৰত নির্ভৰ কৰে। এই ক্ষেত্ৰত ভিত্তি বছৰ আৰু চলিত বছৰ এই দুই সময় সীমাক গুৰুত্ব দিয়া হয়। যদি এই দুই সময় সীমাৰ পার্থক্য কম হয় তেনেহলে বাণিজ্য হাৰৰ বিশেষ পার্থক্য আশা কৰিব নোৱাৰি। কিন্তু সময় দীর্ঘম্যাদী হলে দেশখনৰ চাহিদা, যোগান, উৎপাদনীয় কৌশল, উৎপাদনীয় ব্যৱস্থা, বজাৰৰ সম্প্ৰসাৰণ আদি অনেক পৰিবর্তন ঘটিব পাৰে। এনে অৱস্থাত ৰপ্তানি দৰ আৰু আমদানিৰ দৰ অপ্ৰাসংগিক হৈ পৰে।

(4) **বাণিজ্যিক লাভৰ ভুল সূচাংক** (Faulty index of Gain from trade)ঃ নিগুট পণ্য বিনিময় বাণিজ্য হাৰে বাণিজ্যৰ পৰা আহৰণ কৰা লাভ সম্পর্কে ভুল সিদ্ধান্ত দিব পাৰে। কাৰণ ৰপ্তানি আৰু আমদানিৰ চলিত আৰু ভূমি বছৰৰ সূচাংকৰ সহায়ত পৰিশোধৰ সমতাত মূলধনৰ লেনদেন আৰু একপক্ষীয় হস্তান্তৰ সমূহ নির্ধাৰণ কৰিব পৰা নেযায়।

(5) **বাণিজ্য হাৰৰ ভুল ব্যাখ্যা** (Wrong explaination of the terms of trade)ঃ কেতিয়াবা কেতিয়াবা দেশ এখনৰ আমদানিৰ দৰ সূচাংক অপৰিবর্তনীয় হৈ থাকোতে ৰপ্তানি দৰ সূচাংক কমি যাব পাৰে। এনে অৱস্থাত ৰপ্তানিৰ পৰিমাণ বেছি কৰিব লগা হোৱাত দেশখনৰ কল্যাণ কম হয়। কিন্তু নিগুট পণ্য বিনিময় বাণিজ্য হাৰৰ এই ব্যাখ্যা শুদ্ধ নহয়। কাৰণ ৰপ্তানি খণ্ডৰ উৎপাদন বৃদ্ধি পাই উৎপাদন ব্যয় কম হোৱাৰ বাবেও ৰপ্তানি দৰ সূচাংক কম কৰিব পাৰে। এনে অৱস্থাত উৎপাদন বাঢ়ি ৰপ্তানিৰ পৰিমাণ বৃদ্ধিৰ যোগেদি অতিৰিক্ত আয়হে আহৰণ কৰিব পাৰিব পাৰে।

2.2.3.1.(b) **মুঠ পণ্য বিনিময় বাণিজ্য চৰ্ত** (Gross Barter Terms of Trade)ঃ নিগুট পণ্য বিনিময় বাণিজ্য চৰ্তৰ ক্ষেত্ৰত দেখা পোৱা আসোঁৱাহ সমূহ দুৰ কৰিবৰ বাবেই অর্থনীতিবিদ F.W.Taussig এ মুঠ পণ্য বিনিময় বাণিজ্য চৰ্ত ধাৰণাটো অবতাৰণা কৰে। F.W.Taussig অৰ মতে যি বাণিজ্য হাৰৰ যোগেদি ভিত্তি বছৰৰ তুলনাত পৰবৰ্তী সময়ত আমদানি আৰু ৰপ্তানিৰ কিমান পৰিবর্তন হ'ল তাক জানিব পাৰি সেই বাণিজ্য হাৰকে মুঠ দ্ৰব্য বিনিময় বাণিজ্য হাৰ বোলা হয়। ইয়াক তলৰ সমীকৰণৰ যোগেদি প্ৰকাশ কৰিব পাৰি।

$$GBTT = \frac{QM}{Qx} = 100$$